ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন (Mahatma Gandhi National Rural Employment Guarantee Act), স্বৰ্ণজয়ন্তী গ্ৰামীণ স্ব-ৰোজগাৰ যোজনা (Swarnajayanti Gram Swarojgar Yojna), ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (Rastriya Krishi Bikash Yojna), ক্ষুদ্ৰ জলসিঞ্চন, খোবাপানীৰ আঁচনি, ইন্দিৰা আবাস যোজনা আদিবোৰ উল্লেখযোগ্য।

ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি চমুকৈ MGNREGA-ৰ পৰিকল্পনা আৰু কাৰ্যকৰীকৰণৰ বাবে পঞ্চায়তকে মুখ্য অনুষ্ঠানৰ দায়িত্ব দিয়া হৈছে। MGNREGA আঁচনিত ১৩ৰপৰা ১৭ নং অংশলৈকে পঞ্চায়তৰ দায়িত্ব সম্পৰ্কে উল্লেখ আছে। MGNREGA-ৰ অধীনত খৰচ কৰিবলগা ধনৰ ৫০ শতাংশই গাঁও পঞ্চায়তৰ জৰিয়তে প্ৰত্যক্ষভাৱে বিনিয়োগ কৰা হয়। MGNREGA-ৰ কাৰ্যকৰীকৰণত গাঁওসভাৰ ভূমিকাও মন কৰিবলগীয়া। গাঁৱৰপৰা কৰিবলগা কামৰ বাবে আঁচনি আৰু উপভোক্তাৰ তালিকা গাঁওসভাইহে গাঁও পঞ্চায়তক যোগান ধৰিব লাগে। প্ৰত্যেক গাঁও পঞ্চায়তৰ বাবে গ্ৰামীণ বিকাশ মন্ত্ৰালয় (Ministry of Rural Development)-এ MGNREGAৰ অধীনত গ্ৰাম্যৰোজগাৰ সেৱক, প্ৰত্যেকটো ব্লকৰ বাবে এজন কাৰ্যসূচী বিষয়া (Programme Officer), এজন কম্পিউটাৰ সহকাৰী (Computer Assistant), এজন গাণনিক (Accountant) আৰু প্ৰত্যেক জিলাৰ বাবে একোজন কাৰ্যপৰিচালক (Work Manager)-ৰ ব্যৱস্থা কৰি দিছে।

MGNREGA-ৰ বৈশিষ্ট্যবোৰে পঞ্চায়তীৰাজ অনুষ্ঠানবোৰক শক্তিশালী আৰু দ্ৰুত বিকাশত সহায় কৰিছে। ইয়াৰ উপৰিও আন আন বিকাশমূলক আঁচনিসমূহেও পঞ্চায়তক শক্তিশালী অনুষ্ঠান হিচাপে গঢ়ি উঠাত যথেষ্ট সহায় কৰিছে।

## স্থানীয় শাসনৰ অনুষ্ঠান পঞ্চায়তীৰাজৰ প্ৰয়োজনীয়তা
## [NEED OF PANCHAYATIRAJ]

ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে স্থানীয় শাসন আৰু স্থানীয় চৰকাৰৰ গুৰুত্ব উপলব্ধি কৰি কৈছিল— যিকোনো ধৰণৰ সঠিক গণতন্ত্ৰৰ বাবে স্থানীয় স্ব-শাসন অথবা স্ব-চৰকাৰ ভেটি বা আধাৰস্তম্ভ হোৱা উচিত। নিম্ন পৰ্যায়ৰ ভেটি শক্তিশালী নোহোৱালৈকে গণতন্ত্ৰ সফল হ'ব নোৱাৰে। ঐতিহাসিকভাৱেও চাবলৈ গ'লে স্থানীয় শাসন কেন্দ্ৰীয় শাসনতকৈ অধিক গুৰুত্বপূৰ্ণ। স্থানীয় শাসন ব্যৱস্থাৰ নিকায়সমূহ সমগ্ৰ প্ৰশাসন ব্যৱস্থাৰেই আধাৰস্তম্ভ। স্থানীয় মানুহৰ সমস্যা আৰু প্ৰয়োজনসমূহ মাত্ৰ স্থানীয় চৰকাৰেহে বুজিব পাৰে। স্থানীয় শাসন ব্যৱস্থাৰ মাজেদি চৰকাৰ আৰু মানুহৰ সুসম্পৰ্ক স্পষ্ট ৰূপত প্ৰতিফলিত হয়। মানুহৰ কল্যাণৰ বাবে মানুহৰ দ্বাৰা গঠিত এনে শাসন ব্যৱস্থাৰ অতিকৈ প্ৰয়োজন।

যেতিয়া মানুহে সমূহীয়া জীৱন-যাপন কৰিবলৈ আৰম্ভ কৰিছিল তেতিয়া তেওঁলোক সৰু সৰু গোট বা সম্প্ৰদায়ত বিভক্ত হৈ বসবাস কৰিছিল। তেওঁলোকে পৰস্পৰৰ মাজত সহযোগিতাৰে বিভিন্ন কাম, যেনে— খাদ্যৰ ব্যৱস্থা কৰা, পশুপালন, শত্ৰুৰ বিপক্ষে সমূহীয়া প্ৰতিৰক্ষা আদি সমাধা কৰিছিল। এনেকৈ তেওঁলোক স্ব-শাসিত সম্প্ৰদায় কিছুমানত পৰিণত হৈছিল। সময়ৰ লগে লগে এই সম্প্ৰদায়সমূহে বৃহৎ আকাৰ ধাৰণ

কৰিছিল আৰু এওঁলোকৰ কিছুমান কাম, যেনে— প্রতিৰক্ষা, ন্যায়, প্রশাসন, নিৰাপত্তা আদি বৃহৎ এক সম্প্রদায় (জাতীয় চৰকাৰ)-ৰ হাতলৈ গুচি গৈছিল। কিন্তু অতি প্রয়োজনীয় প্রাথমিক কিছুমান বিষয় স্থানীয় কর্তৃপক্ষৰ হাততেই আছিল। অৱশ্যে এই জাতীয় চৰকাৰৰ উদ্ভাৱনে স্থানীয় চৰকাৰৰ গুৰুত্ব হ্রাস কৰা নাছিল। আচলতে, ৰাষ্ট্রসমূহক কল্যাণকামী ৰূপে গঢ়াৰ ফলস্বৰূপে কেন্দ্রীয় তথা স্থানীয় পর্যায়ত কামৰ হেঁচা যথেষ্টখিনি বৃদ্ধি পাইছিল। যাৰ ফলস্বৰূপে, স্থানীয় পর্যায়ৰ বিষয়সমূহৰ বাবে স্থানীয় চৰকাৰৰ গুৰুত্ব ক্রমান্বয়ে বৃদ্ধি পাবলৈ আৰম্ভ কৰিছিল।

সমাজৰ নিম্ন স্তৰত স্থানীয় শাসন তথা চৰকাৰৰ উপস্থিতিয়ে সমাজৰ যথেষ্ট হিত সাধন কৰে। এই ব্যৱস্থাৰ যথেষ্ট সুবিধা থকা দেখা যায়। স্থানীয় চৰকাৰ ব্যৱস্থা প্রচলন থাকিলে মানুহে নিজৰ সমস্যাসমূহ অতি সোনকালে আৰু খৰতকীয়াভাৱে সমাধান কৰিবলৈ সুবিধা পায়। স্থানীয় শাসন ব্যৱস্থাত বিষয়াসমূহ মানুহৰ একেবাৰে কাষত থাকে। তেওঁলোকে প্রত্যেকেই প্রত্যেকক ভালদৰে চিনি পাব পাৰে। যাৰ ফলস্বৰূপে নিকা আৰু স্বচ্ছ কামৰ আশা কৰিব পৰা যায়। এই ব্যৱস্থাত দুর্নীতিৰ অভিযোগ একেবাৰেই কম। এই শাসন ব্যৱস্থাৰ জৰিয়তে স্থানীয় লোকসকলে নিজৰ এলেকাত সেৱা আগবঢ়াবলৈ সুবিধা পায়। এইবোৰৰ উপৰিও এই শাসন ব্যৱস্থাত অন্য ধৰণৰ ব্যৱস্থা, যেনে— ৰাষ্ট্রীয় বা ৰাজ্যিক শাসন ব্যৱস্থাৰ তুলনাত জনসাধাৰণৰ অংশগ্রহণ যথেষ্ট বৃদ্ধি পায়।

উইলিয়াম এ. ৰবিনচনে মন্তব্য কৰিছিল যে স্থানীয় চৰকাৰক যদি যথেষ্টখিনি ক্ষমতা দিয়া হয় তেন্তে ই স্থানীয় নাগৰিকৰ বাবে মানসিক, সামাজিক, অর্থনৈতিক আদি সকলো প্রকাৰে সমাজৰ বাবে কল্যাণমূলক কাম কৰিব পাৰে।[1] স্থানীয় ব্যৱস্থা হ'ল স্থানীয় এলেকাৰ গণতান্ত্রিক শাসন ব্যৱস্থা। প্রশাসনীয় সেৱাৰ বাবে ই এক উত্তম প্রশিক্ষণৰ অনুষ্ঠান। গণতান্ত্রিক সামাজিকীকৰণ তথা ৰাষ্ট্রৰ সামূহিক কল্যাণৰ বাবে জনসাধাৰণৰ সামাজিক আৰু অর্থনৈতিক বিকাশৰ অতিশয় প্রয়োজন। এই বিকাশ লাভ কৰিব পাৰি মানৱ কল্যাণৰ হকে কাম কৰি এক সামাজিক বাতাৱৰণ সৃষ্টি কৰিব পৰা স্থানীয় কর্তৃপক্ষৰ জৰিয়তে, যাক চৰকাৰৰ অংগ হোৱাৰ লগতে সামাজিক অনুষ্ঠান বুলিও ক'ব পাৰি।

স্থানীয় শাসনৰ গুৰুত্ব সম্পর্কে আমি তলত দিয়া ধৰণে আলোচনা কৰিব পাৰোঁ ঃ

**১। তৃণমূল পর্যায়ৰ গণতন্ত্র (Grossroot Democracy) ঃ** স্থানীয় শাসন ব্যৱস্থাই তৃণমূল পর্যায়ত গণতন্ত্রৰ বাবে ভেটি তৈয়াৰ কৰে। প্রত্যক্ষ গণতন্ত্র এনেকুৱা পর্যায়তহে সম্ভৱপৰ হয়। ৰাষ্ট্রীয় বা ৰাজ্যিক পর্যায়ত পৰোক্ষ গণতন্ত্রহে দেখা যায়। তৃণমূল পর্যায়ত গণতন্ত্র সফল হ'লে ৰাষ্ট্রীয় পর্যায়ত ই সহজসাধ্য হয়। G.D.H. Cole-এ কৈছিল— "Democracy is nothing unless it means— letting the people have their own way not only in the mass by means of an aggregate vate on nationwide scale, but also in their lesser groups and societies of which the great society is made up, and through which it is made articulate in such a way that the less clamorous voices can be heard."[2] (Cole : 1947 P. 64)

1. Robin's W.A., Encyclopedia of Social Science Vol. 9-10.
2. Cole G.D.H. (1947) : Local and Regional Government : Cassess & Co. Ltd. London, P. 64

**২। মিতব্যয়ী চৰকাৰ (Economical or Frugal Government) ঃ** স্থানীয় পৰ্যায়ৰ কাম-কাজসমূহ স্থানীয় চৰকাৰৰদ্বাৰা পৰিচালনা কৰিলে কৰদাতাসমূহে কম কৰ দিব লগা হয়। যদি এই কাম-কাজবোৰ কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰে পৰিচালনা কৰিবলগীয়া হয়, তেতিয়া ইয়াৰ পৰিচালনাত খৰচৰ মাত্ৰা অধিক হ'ব যাৰ ফলস্বৰূপে কৰৰ মাত্ৰাও অধিক হোৱাৰ সম্ভাৱনা থাকে। অন্যহাতে, স্থানীয় চৰকাৰে আটাইবোৰ কাম স্থানীয় মানুহৰ হতুৱাই কম খৰচতে কৰিব পাৰে। এনেদৰে স্থানীয় কাম-কাজ স্থানীয় চৰকাৰে কৰিলে ফলাফল মিতব্যয়ী হয়। তদুপৰি স্থানীয় চৰকাৰে ভালদৰেই জানে যে তেওঁলোকৰ কামৰ বাবে খৰচ কৰিবলগীয়া ধন তেওঁলোকৰ নিজৰ স্থানীয় সম্পদৰ পৰাই উপাৰ্জিত। সেয়েহে তেওঁলোকে সদায় অযথা খৰচ ত্যাগ কৰি মিতব্যয়ী হ'বলৈ চেষ্টা কৰে।

**৩। প্ৰশিক্ষণৰ অনুষ্ঠান (Training Institute) ঃ** স্থানীয় শাসনৰ দায়িত্বত থকা স্থানীয় চৰকাৰক প্ৰশিক্ষণৰ অনুষ্ঠান বুলি কোৱা হয়। ভৱিষ্যতৰ সুদক্ষ নেতাৰ বাবে স্থানীয় শাসনৰ স্তৰটো এক উত্তম প্ৰশিক্ষণ অনুষ্ঠান। নিজৰ স্থানীয় পৰ্যায়ৰ বিষয়সমূহৰ পৰিচালনাত তৃণমূল পৰ্যায়ত মানুহে অংশগ্ৰহণ কৰি লাভ কৰা অভিজ্ঞতাৰে ভৱিষ্যতে ৰাজ্যিক বা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিষয়বোৰত সুদক্ষ পৰিচালনাৰ বাবে স্থানীয় শাসন ব্যৱস্থাই তেওঁলোকক প্ৰস্তুত কৰি তোলে। লৰ্ড ব্ৰাইচি, লাস্কি আদিৰ নিচিনা চিন্তাবিদসকলে স্থানীয় চৰকাৰক সফল গণতন্ত্ৰৰ বাবে উত্তম প্ৰশিক্ষণ অনুষ্ঠান বুলি অভিহিত কৰিছে।

**৪। স্থানীয় সমস্যা সমাধানত অৰ্হতাসম্পন্ন (Competent to Solve Local Problems)ঃ** স্থানীয় সমস্যা সমাধানত স্থানীয় শাসন প্ৰক্ৰিয়া তুলনামূলকভাৱে অধিক অৰ্হতাসম্পন্ন। আধুনিক ৰাষ্ট্ৰসমূহ আকাৰৰ ফালৰপৰা যথেষ্ট ডাঙৰ। বৰ্তমানে এই বৃহৎ ৰাষ্ট্ৰসমূহৰ কাম-কাজ বৰ্ধিত হাৰত বৃদ্ধি পাইছে। দেশৰ সকলো অঞ্চলৰ সমস্যাসমূহ সমাধান কেন্দ্ৰত থকা চৰকাৰখনৰ বাবে ইমান সহজ নহয়। সেয়ে নিজৰ অঞ্চলৰ কাম-কাজ পৰিচালনা কৰিবলৈ স্থানীয় পৰ্যায়ৰ শাসন তথা চৰকাৰ ব্যৱস্থাৰ যথেষ্ট প্ৰয়োজন। স্থানীয় সমস্যাসমূহৰ ঠাইভেদে বৃহৎ তাৰতম্য থাকে। সেয়ে এটা মাত্ৰ একক অনুষ্ঠানে ইমানবোৰ পৃথক ধৰণৰ সমস্যা সমাধান কৰিব নোৱাৰে। আকৌ গাঁৱৰ সমস্যাসমূহ চহৰৰ সমস্যাতকৈ বহু পৃথক। সেয়ে মাত্ৰ স্থানীয় চৰকাৰৰ জৰিয়তে প্ৰতিখন ঠাইৰ নিজৰ নিজৰ সমস্যাসমূহ ভালকৈ বুজি তাৰ সমাধানৰ বাবে উচিত উপায় কৰিব পাৰি।

**৫। ৰাজহুৱা বিষয়ত জনসাধাৰণক অংশগ্ৰহণৰ উৎসাহ যোগায় (Encouraging People to Participate in Public Sphere) ঃ** স্থানীয় শাসন ব্যৱস্থাই জনসাধাৰণক ৰাজহুৱা বিষয়বোৰত অংশগ্ৰহণ কৰিবলৈ উৎসাহ-উদ্দীপনা যোগায়। গণতন্ত্ৰই জনসাধাৰণৰ চৰকাৰকে বুজায় যদিও একেবাৰে সাধাৰণ পৰ্যায়ৰ মানুহৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰাজহুৱা বিষয়বোৰত পোনপটীয়াভাৱে অংশগ্ৰহণ কৰা সকলো সময়তে সহজসাধ্য নহয়। আধুনিক ৰাষ্ট্ৰৰ বিষয়সমূহ সাধাৰণ মানুহৰ বাবে বুজাটো বহু সময়ত যথেষ্ট কষ্টসাধ্য হয়। বৃহৎ আকাৰৰ ৰাষ্ট্ৰৰ বাবে এই সমস্যা আৰু অধিক জটিল হৈ পৰে।

অন্যহাতে স্থানীয় চৰকাৰসমূহ মানুহৰ একেবাৰে কাষৰ চৰকাৰ। এই চৰকাৰে জনসাধাৰণৰ দৈনন্দিন জীৱনত প্ৰভাৱ পেলায়। গাঁও, চহৰ বা স্থানীয় এলেকাৰ বিষয়সমূহ জনসাধাৰণৰ নিজৰ বিষয়। এইসমূহ

সাধাৰণ লোকৰ বাবে তেনেই উজু। এই বিষয়বোৰত তেওঁলোকৰ সম্পূৰ্ণ জ্ঞান থাকে। সেয়ে এই বিষয়বোৰ পৰিচালনাৰ বাবে স্থানীয় শাসন ব্যৱস্থাৰ জৰিয়তে জনসাধাৰণ উৎসাহিত হয়।

**৬। দায়িত্বশীল আৰু জবাবদিহি (Responsible and Accountable) :** নিম্ন স্তৰৰ শাসন পৰিচালনা কৰা স্থানীয় চৰকাৰ জনসাধাৰণৰ ওচৰত অন্য চৰকাৰৰ তুলনাত অধিক দায়িত্বশীল আৰু জবাবদিহি হয়। এই ধৰণৰ শাসন ব্যৱস্থাত জনসাধাৰণৰ আৰু চৰকাৰৰ অধিক ওচৰ সম্পৰ্ক থাকে। তদুপৰি স্থানীয় লোকৰ অভাৱ-অভিযোগৰ বিষয়ে স্থানীয় চৰকাৰৰ দৰে আন চৰকাৰে ভালকৈ নাজানে। স্থানীয় চৰকাৰ জনসাধাৰণৰ একেবাৰে কাষত থকা বাবে জনসাধাৰণৰ ওচৰত দায়িত্বশীল হোৱাৰ লগতে যিকোনো কামৰ বাবে পোনপটীয়াভাৱে জবাবদিহি হয়।

**৭। পৰিৱৰ্তনশীল (Changing) :** সময় গতিশীল। গতিশীল সময়ৰ পাকচক্ৰত সমাজৰ ব্যৱস্থাসমূহৰ পৰিৱৰ্তন অৱশ্যম্ভাৱী। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি ব্যৱস্থাসমূহৰ পৰিৱৰ্তনৰ লগত খাপ্ খাবলৈ স্থানীয় শাসন ব্যৱস্থাই হ'ল আটাইতকৈ উপযোগী। কাৰণ এই ধৰণৰ শাসন ব্যৱস্থাই ক্ষিপ্ৰতাৰে মানুহৰ প্ৰিয়ভাজন হ'ব পাৰে। সেয়ে সমাজ সম্পৰ্কেও এনে শাসন ব্যৱস্থাৰ জৰিয়তে কিছুমান খৰতকীয়া ও ক্ষিপ্ৰ সিদ্ধান্ত ল'বলৈ সহজ। স্থানীয় অঞ্চলৰ সমস্যা আৰু প্ৰয়োজনীয়তা স্থানীয়ভাৱে খৰতকীয়াকৈ বুজি পাবলৈ স্থানীয় শাসন ব্যৱস্থাৰ পক্ষে একেবাৰে সহজ। এই বাবেই স্থানীয় পৰ্যায়ত পৰিৱৰ্তনশীলতা এই চৰকাৰৰ এটা বিশেষ গুণ।

**৮। কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণা (Concept of Welfare State) :** আধুনিক ৰাষ্ট্ৰসমূহ কল্যাণকামী আদৰ্শত গঢ় লৈ উঠা। কল্যাণকামী শব্দটোৰ লগে লগে বৰ্তমান দেশসমূহৰ কাৰ্যৰ ভাৰ যথেষ্টখিনি বাঢ়ি আহিছে। এনে অৱস্থাত যদি দেশৰ কেন্দ্ৰীয় চৰকাৰেই সকলো দায়িত্ব মূৰ পাতি লয় তেন্তে বৃহৎ ৰাষ্ট্ৰবোৰৰ ক্ষেত্ৰত স্থানীয় ভিতৰুৱা অঞ্চলসমূহৰ উন্নতি পৰ্বতত কাছকণী বিচৰা লেখীয়া হ'ব। সেয়ে স্থানীয় গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় মানুহৰ দ্বাৰা নিৰ্বাচিত হোৱা স্থানীয় চৰকাৰ এখনে অঞ্চলটোৰ বাবে বহুখিনি কাম কৰিব পাৰে।

## স্থানীয় শাসন ব্যৱস্থাৰ বৈশিষ্ট্য 2023
## [CHARACTERISTICS OF LOCAL GOVERNANCE]

তিনি তৰপীয়া শাসন ব্যৱস্থাৰ ভিতৰত স্থানীয় শাসন ব্যৱস্থাও অন্যতম। ভাৰতবৰ্ষত গ্ৰাম্য এলেকাৰ স্থানীয় শাসন ব্যৱস্থাই হ'ল পঞ্চায়তীৰাজ। স্থানীয় শাসন ব্যৱস্থা গণতান্ত্ৰিক ৰাষ্ট্ৰৰ ভেটি। স্থানীয় শাসন ব্যৱস্থাৰ কিছুমান বৈশিষ্ট্য আছে। সেইবোৰ হ'ল :

**১। নিৰ্দিষ্ট এলেকা (Definite Area) :** আন চৰকাৰ ব্যৱস্থাৰ দৰে স্থানীয় শাসন ব্যৱস্থাৰো শাসনৰ নিৰ্দিষ্ট এলেকা থাকে। কিন্তু স্থানীয় শাসনৰ বাবে নিৰ্দিষ্ট কৰি দিয়া ভৌগোলিক এলেকা অন্য চৰকাৰ ব্যৱস্থা যেনে— কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰ ব্যৱস্থাতকৈ তুলনামূলকভাৱে কম। স্থানীয় শাসন